**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ আজি প্ৰাক্-সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

২। দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা কাৰ্যসূচী অব্যাহত আছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত দৰ্শনাৰ্থীৰ বাবে ২০২৪ বৰ্ষৰ গ্ৰীষ্মকালীন বাৰ্ষিক অমৃত উদ্যান মুকলি কৰে।

৪। আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিভাজনৰ ভয়াৱহতাৰ ফলত ক্ষতিগ্ৰস্ত হোৱা অগণন লোকক স্মৰণ কৰে। **আৰু**

৫। ২০২৫ বৰ্ষৰ হজ যাত্ৰাৰ বাবে আবেদন পত্ৰ মুকলি কৰি দিয়া হৈছে। অহা ৯ ছেপ্তেম্বৰ আবেদন দাখিলৰ শেষ দিন হিচাপে ধাৰ্য কৰা হৈছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ আজি প্ৰাক্-সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীৰ ৰাষ্ট্ৰীয় নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেলযোগে সন্ধিয়া সাত বজাত প্ৰথমে হিন্দীত আৰু পাছত ইংৰাজীত এই ভাষণ প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনে ইয়াৰ পাছতে ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত আকাশবাণী গুৱাহাটীৰ বাতৰি প্ৰচাৰৰ সময় কিছু সালসলনি কৰা হৈছে। এই অনুসৰি আজি ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি দিবলগীয়া ভাষণৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া সাত বাজি ১০ মিনিটৰ বাতৰি সাত বাজি ৪০ মিনিটত আৰু জিলাৰ ৰেহৰূপ সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে কাইলৈ পুৱা সাত বাজি পাঁচ মিনিটৰ বাতৰি ছয় বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। স্বাধীনতা দিৱস উপলক্ষে কাইলৈ পুৱা ৯ বজাত ৰাজ্যপালৰ ভাষণ আৰু নিশা চাৰে ৯ বজাত প্ৰধানমন্ত্ৰীৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

0000000

দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি অসমকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা কাৰ্যসূচী অব্যাহত আছে। এই কাৰ্যসূচীৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তেওঁৰ নতুন দিল্লীস্থিত বাসভৱনত ত্ৰিৰংগ পতাকা উত্তোলন কৰে। উল্লেখযোগ্য যে দেশৰ জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ ভাব বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে যোৱা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ হৰ ঘৰ তিৰংগা কাৰ্যসূচী আয়োজন কৰা হৈছে।

চৰকাৰে দেশৰ জনসাধাৰণক তেওঁলোকৰ নিজ নিজ গৃহত পতাকা উত্তোলন কৰি একোখন ছেল্ফি তুলি হৰ ঘৰ তিৰংগা ৱেবছাইটত আপলোড কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো কাইলৈ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। একেদৰে ৰাজ্য চৰকাৰৰ আন মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

গুৱাহাটীত চৰকাৰী কাৰ্যসূচী কাইলৈ পুৱা চাৰে ৪ বজাত **প্ৰভাতী গীতাঞ্জলি**ৰে আৰম্ভ কৰাৰ পাছত ৭ বজাত চৰকাৰে কাৰ্যবাহীসকলৰ বাসভৱনত আৰু চাৰে ৭ বজাত সকলো চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। পুৱা ৭ বাজি ৪৫ মিনিটৰ পৰা কুচকাৱাজত ভাগ ল'বলগীয়া দলসমূহ আৰু ৮ বাজি ১৫ মিনিটৰ পৰা নিমন্ত্ৰিত অতিথি তথা জনসাধাৰণ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হোৱাৰ পাছত পুৱা ৯ বজাত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰিব। এই অনুষ্ঠানত অসম আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে কুচকাৱাজ প্ৰদৰ্শন কৰিব। পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত পুৱা ১০ বজাত  গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হ'ব। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ৬ বজাত চৰকাৰী কাৰ্যালয়, নাগৰিকৰ বাসগৃহ আদিত বন্তি প্ৰজ্বলন কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা দিৱস উপলক্ষে আৰক্ষী, অগ্নিনিৰ্বাপক, গৃহৰক্ষী তথা অসামৰিক প্ৰতিৰক্ষা আৰু সংশোধনী সেৱাৰ এহেজাৰ ৩৭ জন জোৱানক বীৰত্ব আৰু সেৱাৰ পদক প্ৰদান কৰিছে। তেলেংগানা আৰক্ষীৰ মুখ্য কনিষ্টবল চাদুহু য়াদেয়াক বীৰত্বৰ বাবে ৰাষ্ট্ৰপতি পদক প্ৰদান কৰা হয়।

গৃহ মন্ত্ৰালয়ে জনোৱা মতে ২১৩ জন জোৱানক বীৰত্বৰ বাবে পদক প্ৰদান কৰা হৈছে। লগতে ৯৪টা বিশিষ্ট সেৱা ৰাষ্ট্ৰপতি পদকৰ ভিতৰত ৭৫টা আৰক্ষী সেৱা, ৮টা অগ্নিনিৰ্বাপক সেৱা, ৮টা অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সেৱা আৰু ৩টা সংশোধনী সেৱা প্ৰদান কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত দৰ্শনাৰ্থীৰ বাবে ২০২৪ বৰ্ষৰ গ্ৰীষ্মকালীন বাৰ্ষিক অমৃত উদ্যান মুকলি কৰে। এই উদ্যানখন জনসাধাৰণৰ দৰ্শনৰ বাবে অহা শুকুৰবাৰৰ পৰা ১৫ ছেপ্তেম্বৰলৈ মুকলি থাকিব। উঠি অহা প্ৰজন্মক অমৃত উদ্যানৰ মানসিকতাৰে উদ্বুদ্ধ কৰাৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বুটাম বেজ বিতৰণ কৰা হ'ব। এই উদ্যানখনত নতুনকৈ এখন ছাউণ্ড পাইপ প্ৰদৰ্শনীও সংযোজন কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে শিশুসকলে শব্দযন্ত্ৰৰ অনবদ্য অভিজ্ঞতা লাভ কৰিব পাৰিব।

আনহাতে এইবেলি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৯ আগষ্টত ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিসকলক উদ্যান দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। একেদৰে বিভিন্ন বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলকো অমৃত উদ্যানৰ পুষ্পৰ সমৃদ্ধি দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে।

উল্লেখযোগ্য যে দৰ্শনাৰ্থীৰ সুবিধাৰ্থে কেন্দ্ৰীয় সচিবালয় মেট্ৰ' ষ্টেচনৰ পৰা বিনামূলীয়া বাছসেৱাৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন প্ৰকাৰৰ ফুল গছৰ পৰা আৰম্ভ কৰি বৃহৎ বৃক্ষ প্ৰকৃতিৰ শ্ৰেণীকোঠা আদিৰে সমৃদ্ধ অমৃত উদ্যান দৰ্শনৰ বাবে আগ্ৰহীসকলে ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

০০০০০০০

আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই দিনটোত ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত অমানৱীয় দুখ আৰু কষ্ট ভোগা লোকসকলক স্মৰণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিভাজনৰ ভয়াৱহতাত প্ৰভাৱিত আৰু ক্ষতিগ্ৰস্ত হোৱা অগণন লোকক স্মৰণ কৰে। তেওঁ কয় যে, আজি সেই লোকসকলৰ সাহসক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন যিসকলে বিভাজনৰ দুখ আৰু কষ্ট সহিও পুনৰ জীৱন যাপন কৰিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ ঐক্য আৰু ভাতৃত্ববোধৰ বান্ধোন ৰক্ষাৰ বাবে জাতিৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৬১ গৰাকী ক্ষেত্ৰ কৰ্মীক নতুন দিল্লীৰ লালকিল্লাত আয়োজিত ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ সাক্ষী হ'বলৈ বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ তথ্য অনুসৰি অংগনৱাড়ী, সখী একক অৱস্থান কেন্দ্ৰ, সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰ, শিশু কল্যাণ সমিতি আৰু জিলা শিশু সুৰক্ষা গোটৰ নিৰ্বাচিত মহিলা কৰ্মীসকলক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে, মহিলা আৰু শিশুসকলৰ সবলীকৰণৰ দিশত আগবঢোৱা প্ৰচেষ্টাৰ প্ৰতি স্বীকৃতি স্বৰূপে এই বিশেষ অতিথিসকলক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দিল্লীৰ লালকিল্লাত আয়োজিত ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ মহিলা প্ৰতিনিধিকে ধৰি সমগ্ৰ দেশৰ ৪০০ গৰাকী প্ৰতিনিধিক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনাইছে।

ইপিনে, পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত পঞ্চায়তৰ নেত্ৰীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিছে। এই কৰ্মশালাত পঞ্চায়তত নেত্ৰীসকলৰ প্ৰত্যাহ্বান আৰু সুযোগ, সাফল্যগাঁথা আৰু স্থানীয় প্ৰশাসনত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ ৰণনীতি সন্দৰ্ভত আলোচনা কৰা হ'ব। স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ আমন্ত্ৰণ লাভ কৰা সকলো প্ৰতিনিধিয়ে এই কৰ্মশালাত ভাগ ল'ব। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং আৰু পঞ্চায়ত ৰাজ্য মন্ত্ৰী প্ৰফেছৰ এছ পি সিং বাঘেলে কাইলৈ এই আমন্ত্ৰিত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনাব। অনুষ্ঠানত ভাষিনী এপৰ সহযোগত ই-গ্ৰাম স্বৰাজ নামৰ বহুভাষিক মঞ্চ মুকলি কৰা হ'ব। এই প'ৰ্টেলটো অধিসূচিত ২২ টা ভাৰতীয় ভাষাৰ আটাইকেইটাতে চাব পৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্থানীয় নিকায়ৰ নিৰ্বাচনত বিজেপিক ঐতিহাসিক বিজয়ৰ আশীৰ্বাদ দিয়াৰ বাবে ত্ৰিপুৰাৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয় যে, এই জয় ত্ৰিপুৰাৰ জনসাধাৰণৰ জয়। তেওঁ ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মানিক সাহা, ৰাজ্যিক বিজেপিৰ সভাপতি ৰাজীৱ ভট্টাচাৰ্যী আৰু দলীয় কৰ্মীসকলক বিজেপিৰ চৰকাৰৰ উন্নয়নপন্থী পদক্ষেপসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ অক্লান্ত প্ৰচেষ্টাৰ বাবে অভিনন্দন জনায়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে দিল্লীৰ পূৰ্বৰ সুৰা নীতিক কেন্দ্ৰ কৰি ৰুজু হোৱা দুৰ্নীতিৰ গোচৰটোৰ সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ জামিনৰ আবেদন আজি নাকচ কৰিছে। মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতাগৰাকীয়ে জনোৱা জামিন আবেদনৰ প্ৰসংগত চিবিআইক উত্তৰ দিবলৈ আহ্বান জনাই সৰ্বোচ্চ আদালতখনে গোচৰটোৰ শুনানী অহা ২৩ আগষ্টলৈ স্থগিত ৰাখে।

০০০০০০০

২০২৫ বৰ্ষৰ হজ যাত্ৰাৰ বাবে আবেদন পত্ৰ মুকলি কৰি দিয়া হৈছে। অহা ৯ ছেপ্তেম্বৰ আবেদন দাখিলৰ শেষ দিন হিচাপে ধাৰ্য কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ানৰ সৈতে কালি নতুন দিল্লীত হজ আৱেদন পত্ৰ ২০২৫ মুকলি কৰে।

০০০০০০০

সমাপ্ত